# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
***::::::::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ পুৰ্ণিয়া জিলাৰ পৰা ৪০ হাজাৰ কোটি টকাৰো অধিক ব্যয়েৰে ৰাজ্যখনৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।
২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কৈছে যে সমগ্ৰ দেশ অচিৰেই মাওবাদীৰ সমস্যাৰ পৰা মুক্ত হ'ব।
৩। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে আজি দেশৰ ষ্টাৰ্ট আপ খণ্ডৰ বিকাশৰ বাবে এটা ব্যক্তিগত কোম্পানীৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।
৪। অটোমোবাইল বজাৰৰ ক্ষেত্ৰখনত ভাৰতে-জাপানক পাছপেলাই বিশ্বৰ ভিতৰত তৃতীয় শ্ৰেষ্ঠ দেশ হিচাপে পৰিগণিত হৈছে। ***আৰু***
৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আবুধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত গ্ৰুপ এৰ এখন খেলত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ-ওমানৰ মুখামুখি হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ পুৰ্ণিয়া জিলাৰ পৰা ৪০ হাজাৰ কোটি টকাৰো অধিক ব্যয়েৰে ৰাজ্যখনৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। পুৰ্ণিয়া জিলাৰ গোলাপবাগত আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে বিহাৰৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান সহজ কৰাৰ বাবে দ্বৈত ইঞ্জিন চৰকাৰে একেৰাহে কাম কৰি আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নতুনকৈ নিৰ্মাণ কৰা পুৰ্ণিয়া বিমানবন্দৰটো মুকলি কৰে। এই বিমান বন্দৰটোৰ পৰা ঘৰুৱা বিমান সেৱা আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি কৈছে যে কেন্দ্ৰীয় চৰকাৰে সামগ্ৰী আৰু সেৱাকৰ অধিক হ্ৰাস কৰিছে আৰু অহা নৱৰাত্ৰীৰ পৰা ই কাৰ্যকৰী হ'ব। ইয়াৰ ফলত জনসাধাৰণৰ দৈনন্দিন ব্যৱহৃত সামগ্ৰী তথা খাদ্য সামগ্ৰীৰ মূল্য হ্ৰাস পাব। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰ বিহাৰ, পশ্চিমবংগ আৰু অসমৰ পৰা অনুপ্ৰৱেশকাৰী মুক্ত কৰাৰ বাবে দায়বদ্ধ। শ্ৰীমোদীয়ে আজিৰ অনুষ্ঠানত কয় যে অপশাসনৰ বাবে ৰাজ্যখনৰ জনসাধাৰণে আৰ জে দি আৰু কংগ্ৰেছ দলক ক্ষমতাৰ পৰা অপসাৰিত কৰি ৰাখিছে।

শ্ৰীমোদীয়ে লগতে ৰাষ্ট্ৰীয় মখনা বোৰ্ডো মুকলি কৰে। তেওঁ কয় যে বিহাৰৰ জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি অনুসৰি কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় মখনা বোৰ্ড প্ৰতিষ্ঠা কৰাৰ বাবে কালি এখন জাননী জাৰি কৰে। দেশৰ তথা বিহাৰৰ মখনা খেতিয়কসকলৰ লাভান্বিত কৰাৰ বাবে তথা মখনাৰ উৎপাদন তথা নতুন প্ৰযুক্তি, তথা মখনাৰ সংৰক্ষণৰ

ব্যৱস্থাপনা তথা ৰপ্তানিৰ ক্ষেত্ৰত এই বোৰ্ডে সহায় কৰিব। উল্লেখযোগ্য যে দেশৰ মখনাৰ উৎপাদনত বিহাৰে ৯০ শতাংশ অৰিহণা যোগাই আহিছে। ৰাজ্যখনৰ মধুবনি, দাৰভাংগা, ছিটামাৰী, ছাহৰছা, কাতিহাৰ, পুৰ্ণিয়া, চৌপাল, কিষাণগঞ্জ, আৰু আৰাৰিয়াত বিশেষকৈ অধিক মখনা উৎপাদন হয়। এই মখনা বোৰ্ড স্থাপনৰ ফলত ৰাজ্যখনত মখনাৰ উৎপাদন অধিক হ'ব আৰু এই ক্ষেত্ৰত বিহাৰক বিশ্বৰ মানচিত্ৰত প্ৰতিষ্ঠিত কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিহাৰৰ ভগলপুৰত দুহেজাৰ ৪০০ মেগাৱাট তাপবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে ২৫ হাজাৰ কোটি টকা বিনিয়োগেৰে এইটো হৈছে ৰাজ্যখনৰ বৃহৎ ব্যক্তিগত খণ্ডৰ তাপবিদ্যুৎ প্ৰকল্প। শ্ৰীমোদীয়ে লগতে ২ হাজাৰ ৬৮০ কোটিৰো অধিক মূল্যৰ ক'চি মেচি আন্তঃৰাজ্যিক নদী সংযোগ প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ ফলত জলসিঞ্চন ব্যৱস্থা প্ৰসাৰিত কৰা হ'ব। ইয়াৰ ফলত বান নিয়ন্ত্ৰণ কৰাৰ লগতে ৰাজ্যখনৰ ভালেমান জিলাত কৃষিৰ ক্ষেত্ৰত উপযোগী হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে কেইবাখনো নতুন ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰাৰ লগতে ভালেমান ৰে'ল প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে বিক্ৰমশিলা আৰু কাটাৰীয়াৰ মাজত দুহেজাৰ ১৭০ কোটিৰো অধিক মূল্যৰ ৰে'ল পথ নিৰ্মাণৰ শুভাৰম্ভ কৰে। ০০০

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কৈছে যে ঝাৰখণ্ডৰ হাজাৰিবাগত ঝাৰখণ্ড আৰক্ষী আৰু চি আৰ পি এফৰ কোব্ৰা বেটেলিয়নৰ এটা যুটীয়া দলে মাওবাদীৰ বিৰুদ্ধে অভিযান চলাই ব্যাপক সফলতা লাভ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে, এই অভিযানত দুৰ্ধৰ্ষ মাওবাদীৰ কমাণ্ডাৰ সহদেৱ চোৰেণ নিহত হৈছে। এই অভিযানত চোৰেণে লগতে ৰঘুনাথ হেমব্ৰম আৰু বীৰসেন গাঞ্জু নামৰ আন দুটা মাওবাদীকো নিৰাপত্তা বাহিনীয়ে গুলিয়াই নিহত কৰে। গৃহমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে যে এই অভিযানৰ পাছত উত্তৰ ঝাৰখণ্ডৰ বোকাৰু অঞ্চলটো মাওবাদীৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হ'ল। শ্ৰীশ্বাহে লগতে আস্থা প্ৰকাশ কৰা যে সমগ্ৰ দেশ অচিৰেই মাওবাদীৰ সমস্যাৰ পৰা মুক্ত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৈছে যে দেশৰ মহানগৰসমূহ বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীৰ এটা প্ৰবন্ধৰ সহাৰি জনাই শ্ৰীমোদীয়ে এইকথা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে এইবুলি উল্লেখ কৰে যে কেন্দ্ৰীয় চৰকাৰৰ অহৰহ প্ৰয়াসৰ ফলত দেশৰ পথসমূহ পৰিস্কাৰ-পৰিচ্ছন্ন হৈ উঠাৰ লগতে মহানগৰসমূহত দ্ৰুত বিকাশ হোৱাৰ উপৰি সেউজীয়া হৈ পৰিছে। কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে তেঁওৰ প্ৰৱন্ধত উল্লেখ কৰিছে যে প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰৰ বিকাশৰ কাৰ্যসূচীত মহানগৰসমূহকো গুৰুত্ব আৰোপ কৰি বিকাশৰ ইঞ্জিন হৈ গৌৰবৰ প্ৰতীক বুলি বিবেচিত কৰিছে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে নগৰ অঞ্চলৰ বিকাশৰ বাবে অধিক গুৰুত্ব আৰোপ কৰিছে। এই ক্ষেত্ৰত পুঁজিৰ পৰিমান ২০০৪ চনৰ পৰা ২০১৪ চনলৈকে ১ লাখ ৫৭ হাজাৰ কোটি টকাৰ বিপৰীতে বৰ্তমান এই পুঁজি ২৮ লাখ ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি হৈছে।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে আজি দেশৰ ষ্টাৰ্ট আপ খণ্ডৰ বিকাশৰ বাবে এটা ব্যক্তিগত কোম্পানীৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। বিশেষকৈ বিত্তীয় সেৱাত নতুন প্ৰযুক্তি আৰু আন উদ্ভাসিত প্ৰযুক্তিখণ্ডত ষ্টাৰ্টআপৰ পৰিবেশ গঢ়ি তোলাৰ বাবে এই চুক্তি স্বাক্ষৰ কৰা হৈছে।

০০০০

অটোমোবাইল বজাৰৰ ক্ষেত্ৰখনত ভাৰতে-জাপানক পাছপেলাই  বিশ্বৰ ভিতৰত তৃতীয় শ্ৰেষ্ঠ দেশ হিচাপে পৰিগণিত হৈছে। সমাগত ৫ বছৰত অটোমোবাইল বজাৰৰ ক্ষেত্ৰখনত দেশে শীৰ্ষ স্থান দখল কৰাৰ দিশত অগ্ৰসৰ হৈছে। নতুন দিল্লীত আজি আন্তঃৰাষ্ট্ৰীয় মূল্য সন্মিলন ২০২৫ত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নিতিন গাডকাৰীয়ে এইদৰে কয়। সেউজ গতিশীলতা আৰু আন্তঃগাথনি উন্নয়নৰ দিশতো ভাৰতে উল্লেখযোগ্য স্থান লাভ কৰিব বুলি তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশত বিশ্বৰ ভিতৰতে দ্বিতীয় বৃহৎ পথ নেটৱৰ্ক ব্যৱস্থা আছে। ভাৰতে আইচ' বিউটানল আৰু বায়' বিটুমেনৰ দৰে নতুন ইন্ধনৰ ক্ষেত্ৰতো অগ্ৰগতি লাভ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি দুদিনীয়া আন্তৰাষ্ট্ৰীয় মূল্য সন্মিলন ২০২৫ উদ্বোধন কৰে। এই সন্মিলনত বিশেষজ্ঞসকলক একত্ৰিত কৰি দক্ষতা, বহনক্ষমতা আৰু অৰ্থনৈতিক দিশসমূহ উন্নত কৰাৰ বাবে আলোচনা কৰা হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলকাতাৰ বিজয় দুৰ্গৰ সেনা বাহিনীৰ পূব কামাণ্ড মুখ্য কাৰ্যালয়ত সংযুক্ত কমাণ্ডাৰ্ছ সকলৰ সন্মিলনত উপস্থিত থাকে। সন্মিলনত শ্ৰীমোদীয়ে দেশ নিৰ্মাণৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদান আৰু অপাৰেছন সিন্দূৰত দেখুওৱা সাহসীকতাৰ বাবে নিৰাপত্তা বাহিনীসমূহক প্ৰশংসা কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি দেশৰ নিৰাপত্তা বাহিনীসমূহৰ ২০৪৭ৰ ভৱিষ্যনথি মুকলি কৰে। অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভাল, প্ৰতিৰক্ষা বাহিনীসমূহৰ মুৰব্বী জেনেৰেল অনিল চৌহান উপস্থিত থাকে।

১৭ ছেপ্তেম্বৰত সামৰণি পৰিবলগা এই তিনিদিনীয়া সন্মিলনত প্ৰযুক্তিগত বিকাশ, সেনা বাহিনীৰ তিনিওটা বাহিনীৰ মাজৰ সহযোগিতা, আধুনিকীকৰণৰ লগতে বিশ্বৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত বিভিন্ন বিষয়ত আলোচনা কৰা হ'ব।

০০০০

ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ৬২ হাজাৰতকৈও অধিক ৰাজহুৱা ওজৰ আপত্তি তথা অভিযোগ বিগত মাহত সমাধান কৰা হৈছে। প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি বিভাগে প্ৰকাশ কৰা ৩৭ সংখ্যক মাহেকীয়া প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে।  প্ৰতিবেদনত ৰাজহুৱা অভিযোগ নিষ্পত্তি আৰু নিৰীক্ষণ ব্যৱস্থাৰ জৰিয়তে লাভ কৰা অভিযোগ সন্দৰ্ভত  আলোকপাত কৰা হৈছে। আগষ্ট মাহলৈকে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰায় ৭৭ হাজাৰ ৰাজহুৱা অভিযোগ পঞ্জীয়নভুক্ত হৈছিল। উল্লেখযোগ্য যে বিগত মাহত ৮৯ হাজাৰ ৫০০ তকৈও অধিক নতুন ব্যৱহাৰকাৰীয়ে বিভিন্ন মাধ্যমৰ জৰিয়তে অভিযোগ পঞ্জীয়ন কৰিছে। প্ৰতিবেদনখনত অভিযোগৰ ধৰণ, শ্ৰেণী আৰু নিষ্পত্তিৰ বিষয়ে বিশ্লেষণ কৰা হৈছে। অভিযোগসমূহ নিষ্পত্তিৰ বাবে ৩ হাজাৰ ৬২২গৰাকী বিষয়াক প্ৰশিক্ষণ দিয়াৰ লগতে মুঠ ৯১৭ টা প্ৰশিক্ষণ পাঠ্যক্ৰম অনুষ্ঠিত হৈছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জেম ট্ৰিনিটি, ইউ পি আই, জি ই এম আৰু ই নেম আদি পদক্ষেপৰ জৰিয়তে ভাৰতৰ ডিজিটেল  ৰূপান্তৰ সন্দৰ্ভত আলোকপাত কৰা এটা প্ৰৱন্ধ শ্বেয়াৰ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী ৰাও ইন্দ্ৰজিত সিঙৰ এটা পোষ্টৰ উত্তৰত শ্ৰীমোদীয়ে উল্লেখ কৰে যে ভাৰতৰ ডিজিটেল দশক কেৱল প্ৰযুক্তিকেন্দ্ৰীক নহয় বৰঞ্চ এয়া হৈছে এক প্ৰকাৰৰ ৰূপান্তৰ।

০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আবুধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত গ্ৰুপ এৰ এখন খেলত সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ-ওমানৰ মুখামুখি হৈছে। টছত জিকি ওমানে বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেট ধৰি ইউ এ ই'য়ে ওমানক ১৭৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

আজি নিশা ৮ বজাৰ পৰা ডুবাই আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত গ্ৰুপ এৰ আন এখন খেলত শ্ৰীলংকা-হংকঙৰ মুখামুখি হ'ব।

প্ৰতিযোগিতাত ভাৰত কাইলৈ হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত